# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-01-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

অসমৰ মুঠ ঘৰুৱা উৎপাদন ২০১৩-১৪ চনৰ ২৯ বিলিয়ন ডলাৰৰ পৰা ২০২৩-২৪ বৰ্ষত ৬৮ দশমিক ৭-৮ বিলিয়ন ডলাৰৰো অধিক হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইত ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আসাম শীৰ্ষক দ্বিতীয় পৰ্যায়ৰ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ বাবে আয়োজিত এটা ৰোড শ্ব'ত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ ইয়াৰ পূৰ্বে সংবাদ মাধ্যম আৰু বিভিন্ন উদ্যোগ জগতৰ প্ৰতিনিধিৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এসময়ত উগ্ৰপন্থী সমস্যা আৰু অশান্তিয়ে জৰ্জৰিত কৰা অসমত সম্প্ৰতি ইতিবাচক ৰূপান্তৰ ঘটিছে। তেওঁ লগতে এডভাণ্টেজ আসাম শীৰ্ষ সন্মিলনৰ বিষয়ে সবিশেষ তথ্য নিজৰ ভাষণত দাঙি ধৰে। ইয়াৰ আগেয়ে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্মিলনৰ বাবে টাটা গোটকে ধৰি দেশৰ কেইবাটাও আগশাৰীৰ উদ্যোগ গোষ্ঠীৰ নেতৃবৰ্গক সাক্ষাৎ কৰি আমন্ত্ৰণ জনায়। ২০১৮ চনত ৰাজ্যৰ প্ৰথমখন বিনিয়োগ সন্মিলনৰ অভূতপূৰ্ব সফলতাৰ পৰিপ্ৰেক্ষিতত অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিবলগীয়া এই সন্মিলনত দেশৰ লগতে বিদেশৰো ভালেসংখ্যক উদ্যোগপতি উপস্থিত থকাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী এই ভ্ৰমণ কালতে প্ৰায় ১ লাখ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাবলৈ কেইবাটাও প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে প্ৰেৰণ কৰিছে। ইয়াৰ ভিতৰত ৮ হাজাৰ কোটি টকা ব্যয়ৰে বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা ৫ নিযুত মেট্ৰিকটনলৈ বৃদ্ধি কৰা, ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নামৰূপ সাৰ কাৰখানা সম্প্ৰসাৰণ, ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেংগী-কুৰুৱা সংযোগী দলং, গুৱাহাটী ৰিং ৰোড, গুৱাহাটা ভূটান সংযোগী ৰে'ল পথ নিৰ্মাণকে ধৰি কেইবাটাও প্ৰকল্প লোৱা হৈছে। এই প্ৰকল্পসমূহ কাৰ্যকৰী হোৱাৰ পাছত অসমে আন্তঃগাঁথনিগত দিশত ভালেখিনি আগবাঢ়ি যাব আৰু ৰাজ্যখনৰ বিনিয়োগৰ বাবে সূচল স্থান হিচাপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

ooooo

বিদ্যালয়সমূহৰ গুণগত শিক্ষাৰ মান উন্নীতকৰণৰ পদক্ষেপ হিচাপে আজি চলিত বছৰৰ গুণোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। ২০১৭ চনৰ পৰা ৰূপায়ন কৰা এই কাৰ্যসূচীয়ে পাঁচবাৰকৈ সফলতা লাভ কৰাৰ পাছত আজিৰেপৰা ৭ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত গুণোৎসৱৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ত আজি ৰাজ্যৰ ১১ খন জিলাৰ ১৬ হাজাৰৰো অধিক বিদ্যালয় সামৰি লোৱা হ'ব। আজি প্ৰথম দিনাৰ কাৰ্যসূচীত বিদ্যালয়সমূহত স্ব-মূল্যায়ন আৰু কাইলৈৰ পৰা ৯ জানুৱাৰীলৈ বহিঃমূল্যায়ন কৰা হ'ব। এই ১১ খন জিলাৰ ১৬ হাজাৰ ৫৬ খন চৰকাৰী প্ৰাদেশীকিকৃত আদৰ্শ বিদ্যালয়, চাহ বাগিচা আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, নেতাজী

সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয় আৰু চাহ বাগিচাৰ কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত বিদ্যালয়ক সামৰি লোৱা হ'ব। গুণোৎসৱত প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ১৪ লাখ ১১ হাজাৰ ৮৭৮ গৰাকী শিক্ষাৰ্থীৰ মূল্যায়ণ কৰা হ'ব। এই কাৰ্যসূচীত ৬ হেজাৰ ৩৬৫ গৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক, কাৰ্যনিৰ্বাহক সদস্যৰ উপৰি চৰকাৰী বিষয়াই অংশগ্ৰহণ কৰিব।

শিৱসাগৰ জিলাৰ এহেজাৰ ২৪১ খন শিক্ষানুষ্ঠানৰ ৭০ হাজাৰ ৭১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি গুণোৎসৱ অনুষ্ঠিত হৈছে। কাৰ্যসূচীৰ তৃতীয় দিনা শিক্ষা মন্ত্ৰী ড০ ৰণোজ পেগু বহিঃমূল্যায়ক ৰূপে উপস্থিত থাকিব। জিলাখনত এই কাৰ্যসূচীৰ বাবে ৪৮২ গৰাকী বিহঃমূল্যায়ক, ১২৩ গৰাকী সমন্বয়ক আৰু এহেজাৰ ২৪১ গৰাকী শিক্ষকক দায়িত্ব দিয়া হৈছে। গুণোৎসৱৰ মূল্যায়ন ৯ জানুৱাৰী পৰ্যন্ত চলিব। জিলাখনত যোৱা বছৰ ৮৯৯ খন বিদ্যালয়ে গুণোৎসৱৰ সময়ত এ গ্ৰেড লাভ কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ জনবসতিপূৰ্ণ অঞ্চলসমূহত শেহতীয়াকৈ মানুহ আৰু বন্য প্ৰাণীৰ মাজত দেখা দিয়া সংঘাট দূৰ কৰাৰ বাবে উপায় উদ্ভাৱন কৰিবলৈ আজি বন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ উপস্থিতিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ লগত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শেহতীয়াকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ সমীপৱৰ্তী অঞ্চলসমূহৰ ৰাইজে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই আলোচনাকালত গ্ৰহণ কৰা সিদ্ধান্তই অদূৰ ভৱিষ্যতে ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া ৰাইজক সকাহ দিয়াৰ উপৰি বন্য প্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰিব বুলি মন্ত্ৰী পাটোৱাৰীয়ে প্ৰকাশ কৰে। বৈঠকত লগতে এই অঞ্চলসমূহত বাস কৰা যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত মন্ত্ৰী অতুল বৰাও অংশগ্ৰহণ কৰে। বন মন্ত্ৰীগৰাকীয়ে আজি কাজিৰঙাৰ কঁহৰাত নিৰ্মাণ কৰি উলিওৱা কাজিৰঙা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় উদ্বোধন কৰে। উদ্বোধনকালত মন্ত্ৰী শ্ৰী বৰাও উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত আজি সংশ্লিষ্ট কৰ্তৃপক্ষই সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা প্ৰকাশ কৰিছে। শিৱসাগৰ জিলাত আজি ডিমৌ, শিৱসাগৰ আৰু নাজিৰা বিধানসভা সমষ্টিৰ চূড়ান্ত ফটোযুক্ত ভোটদাতাৰ তালিকা প্ৰকাশ কৰা হয়। এই অনুসৰি শিৱসাগৰ নিৰ্বাচনী জিলাৰ মুঠ ভোটদাতাৰ সংখ্যা ৫ লাখ ৬৯ হাজাৰ ৬৯৫ গৰাকী। ইয়াৰে ২ লাখ ৭৯ হাজাৰ ৮৩৪ জন পুৰুষ, ২ লাখ ৮৯ হাজাৰ ৮৫৭ গৰাকী মহিলা আৰু ৪ গৰাকী তৃতীয় লিংগৰ ভোটদাতা।

০০০০০

সমাপ্ত